**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 26-06-2025 **Time :** 1845Hrs.

## Assamese Evening Bulletin
## Headlines

১। বি টি আৰ চুক্তি ৰূপায়ণ সন্দৰ্ভত নতুন দিল্লীত কেন্দ্ৰীয় চৰকাৰ, অসম চৰকাৰ আৰু চুক্তিত স্বাক্ষৰ কৰা সংগঠনৰ প্ৰতিনিধিবৰ্গৰ ত্ৰিপাক্ষিক বৈঠক।

২। জাতিংগা আৰু লামপুৰৰ মাজৰ ভূমিস্খলন হোৱা ৰে'লপথৰ পৰা আৱৰ্জনা আঁতৰোৱাৰ কাম পূৰ্ণগতিত অব্যাহত।

৩। শুভাংশু শুক্লাসহ ৪গৰাকী মহাকাশচাৰীৰ আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰত সুকলমে প্ৰবেশ।

৪। শিৱসাগৰৰ ভটিয়াপাৰত তেল আৰু প্ৰাকৃতিক গেছ নিগম লিমিটেডৰ তৈলখাদৰ গেছ নিৰ্গমন ক্ৰমাৎ হ্ৰাস পাইছে বুলি অ' এন জি চি কৰ্তৃপক্ষৰ প্ৰকাশ।

*আৰু*

৫। ৰাজ্যৰ বিভিন্ন প্ৰান্তত আন্তৰ্জাতিক মাদক দ্ৰব্যৰ অপব্যৱহাৰ আৰু অবৈধ সৰবৰাহ বিৰোধী দিৱস উদযাপন।

০০০০

২০২০ চনত স্বাক্ষৰিত বি টি আৰ চুক্তি ৰূপায়ণ সম্পৰ্কত আজি নতুন দিল্লীত কেন্দ্ৰীয় চৰকাৰ, অসম চৰকাৰ আৰু চুক্তি স্বাক্ষৰ কৰা সংগঠনকেইটাৰ প্ৰতিনিধিবৰ্গৰ মাজত ত্ৰিপাক্ষিক বৈঠক অনুষ্ঠিত হয়। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ৰ উত্তৰ-পূবৰ বাবে থকা যুটীয়া সচিব নিৰজ কুমাৰ বান্‌ছোড়ৰ অধ্যক্ষতাত নতুন দিল্লীৰ নৰ্থ-ব্লকত অনুষ্ঠিত এই বৈঠকত মন্ত্ৰণালয়ৰ উপ-সচিব এন আৰ মিন্‌ছ, অসম চৰকাৰৰ গৃহ বিভাগৰ সচিব পাৰ্থ মজুমদাৰ অসম আৰক্ষীৰ বিশেষ শাখাৰ অতিৰিক্ত সঞ্চালকপ্ৰধান হীৰেণ নাথ আৰু বিটিচিৰ প্ৰধান সচিব আকাশদীপে চৰকাৰী পক্ষৰ হৈ অংশগ্ৰহণ কৰে। নিখিল বড়ো ছাত্ৰ সন্থা, প্ৰাক্তন এন ডি এফ বি আৰু ইউনাইটেড বড়ো পিপল্‌ছ অৰ্গেনাইজেচনক প্ৰতিনিধিত্ব কৰা ১০ গৰাকী সদস্যই আজিৰ বৈঠকত অংশগ্ৰহণ কৰে। আমাৰ কোকৰাঝাৰৰ সংবাদদাতাই প্ৰীতম ব্ৰহ্মচৌধুৰীয়ে জনোৱা মতে আজিৰ বৈঠকত শোণিতপুৰ, বিশ্বনাথ আৰু ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰৰ বড়ো বসতিপ্ৰধান অঞ্চলসমূহলৈ বিটিআৰৰ সম্প্ৰসাৰণ, বিটিআৰলৈ অধিক স্বায়ত্তশাসন আৰু ক্ষমতা হস্তান্তৰ কৰিব বিচৰা ১২৫ সংখ্যক সংবিধান সংশোধনী বিধেয়কৰ পাৰিতকৰণ আৰু কাৰ্বি আংলঙত বসবাস কৰা বড়ো লোকসকলক পাহাৰীয়া জনজাতিৰ মৰ্যাদা প্ৰদানকে ধৰি কেইবাটাও বিষয় আলোচনা কৰা হয়। আলোচনাত অংশগ্ৰহণ কৰা নিখিল বড়ো ছাত্ৰ সন্থাৰ সভাপতি দীপেন বড়োকে ধৰি প্ৰতিনিধিসকলে এই বৈঠকক ইতিবাচক আৰু গঠনমূলক বুলি অভিহিত কৰে।

আজিৰ বৈঠক সন্দৰ্ভত নিখিল বড়ো ছাত্ৰ সন্থাৰ সভাপতি দীপেন বড়োৱে এইদৰে কয় –

বাইট

০০০০০০০

কাৰ্বিআংলং স্বায়ত্ত শাসিত পৰিষদে জিলাখনত পৰম্পৰাগত বিচাৰ পদ্ধতি সুচাৰুৰূপে প্ৰৱৰ্তনৰ বাবে ২০০০ চনৰ স্বায়ত্তশাসিত পৰিষদ আইনখন কাৰ্যকৰী কৰাৰ সিদ্ধান্ত লৈছে। আজি ডিফুত অনুষ্ঠিত

পৰিষদৰ অধিৱেশন কক্ষত অনুষ্ঠিত ২৫১ সংখ্যক অধিৱেশনত ৰাজ্যপালে অনুমোদন জনোৱা স্বায়ত্ত শাসিত পৰিষদ বিধেয়কখনৰ ৪ নম্বৰ প্ৰস্তাৱ কাৰ্যকৰী কৰাত সেউজ সংকেত দিয়া হয়। আজি পৰিষদৰ অধ্যক্ষ ৰাজু তিচ'ৰ অধ্যক্ষতাত অনুষ্ঠিত অধিৱেশনত মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙে দাখিল কৰা ২০২৫-২৬ বৰ্ষৰ অতিৰিক্ত লেখানুদানতো সদনে সৰ্বসন্মতিক্ৰমে অনুমোদন জনায়।

০০০০০০

উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ জাতিংগা আৰু লামপুৰৰ মাজৰ ভূমিস্খলন হোৱা ৰে'লপথৰ পৰা শিল-বালিৰ আৱৰ্জনা আঁতৰোৱাৰ কাম যুদ্ধকালীন ক্ষিপ্ৰতাৰে চলি আছে। ভূমিস্খলন হোৱা অঞ্চল ভ্ৰমণ কৰি অহা আমাৰ শিলচৰৰ সংবাদদাতা আঁখিৰাণী দাসে জনোৱা মতে বৰ্তমান ১৫ খন এছ্‌কেভেটৰ আৰু ২০০ ৰো অধিক শ্ৰমিকে ৰে'লপথছোৱা ৰে'ল চলাচলৰ উপযোগী কৰি তোলাৰ বাবে দিনে-নিশাই কাম কৰি আছে। উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ মহাপ্ৰৱন্ধক চেতন কুমাৰ শ্ৰীবাস্তৱে আজি ভূমিস্খলন হোৱা অঞ্চলটো পৰিদৰ্শন কৰি মেৰামতি কাৰ্যৰ বুজ লয়। তেওঁ কয়, যে বতৰ অনুকুল হ'লে অহা সোমবাৰৰ ভিতৰত এই পথেৰে আংশিকভাৱে ৰে'ল চলাচল পুনৰ আৰম্ভ কৰিব পৰা যাব। মেৰামতি হোৱাৰ পাছত ভূমিস্খলন হোৱা অঞ্চলৰ ১০০ মিটাৰ অংশত সাৱধানতাৰে লেহেমীয়া গতিত ৰে'ল চলাচল কৰা হ'ব আৰু ভূমিস্খলন প্ৰতিৰোধৰ বাবে থকা গাৰ্ডৱালৰ পুনৰ নিৰ্মাণৰ বাবে আৰু প্ৰায় এমাহ সময় লাগিব। পূৰ্বৰ মিটাৰগেজ ৰে'লপথৰ ওপৰতে ব্ৰগগেজ ৰে'লপথ স্থাপন কৰাৰ ফলত এই ৰে'লপথছোৱাৰ কিছু কাৰিকৰী আঁসোৱাহ ৰৈ গৈছে। তেওঁ কয়, যে যে লংকাৰ পৰা শিলচৰ সংলগ্ন মইনাৰবন্দলৈ প্ৰায় ১৬০ কিলোমিটাৰ দৈৰ্ঘ্যৰ নতুন দ্বৈত ৰে'লপথ নিৰ্মাণৰ বাবে জৰীপ চলাই থকা হৈছে।

বাইট

০০০০০০০

ভাৰতীয় বিমান বাহিনীৰ গ্ৰুপ কেপ্টেইন শুভাংশু শুক্লাসহ চাৰি গৰাকী মহাকাশচাৰীক কঢ়িয়াই নিয়া AXIOM-4 অভিযানৰ **স্পেছ-এক্স ড্ৰেগন** মহাকাশযানখনে আজি বিয়লি চাৰি বজাত আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰত সুকলমে উপস্থিত হোৱাত ভাৰতে ইতিহাস ৰচিছে। লক্ষ্ণৌত জন্মগ্ৰহণ কৰা শুক্লাই ১৯৮৪ চনত ৰাকেশ শৰ্মাৰ পাছত মহাকাশত অৱতৰণ কৰা দ্বিতীয়গৰাকী ভাৰতীয় মহাকাশচাৰী হিচাপে পৰিগণিত হ'ল। এই ঐতিহাসিক অভিযানত আমেৰিকা, ভাৰত, পোলেণ্ড আৰু হাংগেৰীৰ চাৰিগৰাকী মহাকাশচাৰী আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰত ১৪ দিন বৈজ্ঞানিক পৰীক্ষা-নিৰীক্ষা চলাব। AXIOM-4 অভিযানে কেৱল বৈজ্ঞানিক পৰীক্ষা-নিৰীক্ষা চলোৱাই নহয়, ই ভাৰতক বিশ্বৰ প্ৰযুক্তিৰ পাৱাৰহাউচ হিচাপে উত্থানক প্ৰতিফলিত কৰিছে। ইয়াৰ ফলত মহাকাশ অভিযানৰ ক্ষেত্ৰত ভাৰতৰ নেতৃত্বৰ সামৰ্থ, বহনক্ষমতা আৰু বিশ্বৰ অভিযানৰ বাবে গুৰুত্বপূৰ্ণ অৱদানক অধিক প্ৰসাৰিত কৰিব। শুভাংশু শুক্লাই খাদ্য আৰু মহাকাশ পৰিপুষ্টিৰ লগত জড়িত উল্লেখযোগ্য পৰীক্ষা-নিৰীক্ষা সম্পন্ন কৰিব। ভাৰতীয় মহাকাশ গৱেষণা সংস্থা আৰু জৈৱ প্ৰযুক্তিবিদ্যা বিভাগৰ সহযোগিতাৰে তথা নাছাৰ সমৰ্থনেৰে  চলাবলগীয়া এই সম্পৰীক্ষাই মহাকাশত জীৱন ৰক্ষাৰ ব্যৱস্থাৰ বহন ক্ষমতা আৰু ভৱিষ্যতে দীৰ্ঘ সময়সৰ মহাকাশ পৰ্যটনৰ গুৰুত্বপূৰ্ণ দিশসমূহ চালি-জাৰি চাব। তেওঁলোকে লগতে ভৱিষ্যতৰ মহাকাশ অভিযানৰ প্ৰতি ৰক্ষ্য ৰাখি সূক্ষ্ম মধ্যাকৰ্ষণ কক্তিৰ প্ৰভাব, মহাকাশৰ বিকিৰন, পৰিপুষ্টিজনিত খাদ্যৰ উৎস আদি সন্দৰ্ভত পৰীক্ষা চাব।

ইপিনে, কেন্দ্ৰীয় বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙে শুভাংশু শুক্লা তথা AXIOM-4 অভিযানৰ দলটো সফলতাৰে আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰত উপস্থিত হোৱাৰ বাবে শুভেচ্ছা জ্ঞাপন কৰিছে।

সংবাদ মাধ্যমৰ আগত ড০ সিঙে কয়, যে শুভাংশু শুক্লাই আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰত ১৪ দিন অতিবাহিত কৰিবলগীয়া দিনকেইটা বিশ্ববাসীয়ে অতি আগ্ৰহ আৰু তীব্ৰ উৎকণ্ঠাৰে প্ৰত্যক্ষ কৰিব।

০০০০০০০

শিৱসাগৰৰ ভটিয়াপাৰত তেল আৰু প্ৰাকৃতিক গেছ নিগম লিমিটেডৰ তৈলখাদৰ গেছ নিৰ্গমন ক্ৰমাৎ হ্ৰাস পাইছে বুলি অ' এন জি চি কৰ্তৃপক্ষই প্ৰেছ বিজ্ঞপ্তিযোগে জানিবলৈ দিছে। আন্তঃৰাষ্ট্ৰীয় কূপ নিয়ন্ত্ৰণ বিশেষজ্ঞৰ অধীনত অব্যাহত থকা অভিযানে গুৰুত্বপূৰ্ণ অগ্ৰগতি লাভ কৰিছে বুলিও প্ৰেছ বিজ্ঞপ্তিত কোৱা হৈছে। দলটোৱে ষ্টেয়াৰ কেচ, জটিল তাঁৰ আৰু অন্যান্য গাঁথনিগত উপাদানকে ধৰি ৰীগৰ বাকী থকা সকলো সামগ্ৰী সফলতাৰে আঁতৰাইছে। এই গুৰুত্বপূৰ্ণ পদক্ষেপত ৰীগৰ উপ-গাঁথনিটো নিৰাপদে আঁতৰোৱা আৰু টানি অনাৰ ফলত ৱেলহেডলৈ প্ৰৱেশ প্ৰশস্ত হৈছে। ইয়াৰ ফলত চূড়ান্ত কূপ নিয়ন্ত্ৰণ প্ৰক্ৰিয়াৰ অপৰিহাৰ্য অংশ হিচাপে অনাগত অভিযানৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে। পৰৱৰ্ত্তী পৰ্যায়ত সাৱধানতাৰে ব্লু আউট প্ৰিভেণ্টাৰ আঁতৰোৱা হ'ব বুলি প্ৰেছ বিজ্ঞপ্তিত কোৱা হৈছে। ইয়াৰ পাছত ৱেল কেপিং কৌশলৰ অংশ হিচাপে এটা বিকল্প গোট স্থাপন কৰা হ'ব বুলিও বিজ্ঞপ্তিত প্ৰকাশ কৰা হৈছে।

০০০০০০০

মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ দ্বিতীয় পৰ্যায়ৰ অধীনত এই পৰ্যন্ত ১ লাখতকৈও অধিক আবেদন লাভ কৰা হৈছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে কয় যে আবেদন প্ৰাপ্তৰ ভিতৰত ৮১ হাজাৰৰো অধিক যুৱক-যুৱতীৰ সাক্ষাৎকাৰ সম্পূৰ্ণ হৈছে। ০০০০০০

০০০০০০০

গুৱাহাটী মহানগৰীৰ ডাউন টাউন উৰণ সেতু অহা ৬ জুলাইত উদ্বোধন কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে জানিবলৈ দিয়ে। নিৰ্দিষ্ট সময়ৰ পূৰ্বেই এই উৰণ সেতু নিৰ্মাণ কৰি উলিওৱাৰ বাবে মুখ্যমন্ত্ৰী ড০ শৰ্মাই শ্ৰমিকসকলক কৃতজ্ঞতা জ্ঞাপন কৰে। গুৱাহাটীৰ যান-জঁটৰ সমস্যা নিৰ্মূলৰ ক্ষেত্ৰত উৰণ সেতুখনে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি তেওঁ লগতে আশা প্ৰকাশ কৰে।

০০০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি আন্তৰ্জাতিক মাদকদ্ৰব্যৰ অপ-ব্যৱহাৰ আৰু অবৈধ সৰবৰাহ বিৰোধী দিৱসৰ লগত সংগতি ৰাখি বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হয়। মাদক দ্ৰব্য মুক্ত এখন সমাজ গঢ়াৰ লক্ষ্যৰে গ্ৰহণ কৰা কাৰ্যব্যৱস্থা অধিক শক্তিশালী কৰাৰ উদ্দেশ্যে এই দিৱস উদ্যাপন কৰা হৈছে। এইবছৰৰ এই দিৱসৰ বিষয়বস্তু হৈছে – 'সংক্ৰমণৰ অৱসান ঃ সকলোৰে বাবে প্ৰতিৰোধ, চিকিৎসা আৰু নিৰাময়'।

বিশ্বনাথত আজি আন্তৰ্জাতিক ড্ৰাগছ আৰু অবৈধ সৰবৰাহবিৰোধী দিৱস উপলক্ষে জিলা আৰক্ষীয়ে পূৰ্বে জব্দ কৰা ২ কোটি ৮০ লাখ মূল্যৰ নিচাযুক্ত সামগ্ৰী দাহ কৰে। ডিব্ৰুগড়তো আজি এই দিৱস উপলক্ষে কেন্দ্ৰীয় চৰকাৰৰ তথ্য আৰু সম্প্ৰচাৰ্ মন্ত্ৰালয়ৰ উদ্যোগত আন্তঃৰাষ্ট্ৰীয় ড্ৰাগছ বিৰোধী দিৱসৰ লগতে চকু স্বাস্থ্য সজাগতা সভা অনুষ্ঠিত হয়। মাজুলী জিলা প্ৰশাসনৰ উদ্যোগত তথা অসম ৰাজ্যিক নিচামুক্ত মাদকদ্ৰব্য নিবাৰণী পৰিষদ আৰু মাজুলী জিলা আৰক্ষী প্ৰশাসনৰ সহযোগত আজি জেংৰাইমুখ মহাবিদ্যালয়ত আন্তঃৰাষ্ট্ৰীয় ড্ৰাগছ বিৰোধী দিৱস পালন কৰা হয়। শোণিতপুৰ জিলা প্ৰশাসনে সমাজ কল্যাণ বিভাগৰ সহযোগত শোণিতপুৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত এখন মাদকদ্ৰব্য বিৰোধী সজাগতা সভাৰ আয়োজন কৰে।

মৰিগাঁও জিলা আৰক্ষী প্ৰশাসনৰ উদ্যোগত আৰু জাগীৰোড মহাবিদ্যালয়ৰ অভ্যন্তৰীণ মান নিৰূপণ কোষৰ সহযোগত এই দিৱস উপলক্ষে বিশেষ সজাগতা সভা অনুষ্ঠিত হয়। এই সভাত মাদকদ্ৰব্যৰ অপ-ব্যৱহাৰ আৰু ইয়াৰ পৰা হ'বলগীয়া ক্ষতি, মাদক দ্ৰব্যৰ অবৈধ সৰবৰাহৰ বিষয়ে বিশদভাৱে আলোচনা কৰা হয়। জাগীৰোড মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ভবেন চন্দ্ৰ নেওগে অনাগত দিনত এখন নিচামুক্ত সুস্থ সমাজ গঠনৰ বাবে সকলোৱে একত্ৰিত হৈ কাম কৰিবলৈ শপত বাক্য পাঠ কৰোৱায়। পশ্চিম কাৰ্বিআংলং জিলাৰ সদৰ হামৰেনতো আন্তৰ্জাতিক মাদকদ্ৰব্য অপব্যৱহাৰ আৰু অবৈধ সৰবৰাহ বিৰোধী দিৱস উদযাপন কৰা হয়। জিলা সমাজ কল্যাণ বিভাগৰ উদ্যোগত আয়োজিত কাৰ্যসূচী অনুসৰি সজাগতা সমদল উলিওৱা হয়। দৰং জিলা আৰক্ষীৰ উদ্যোগত মঙলদৈ থানা চৌহদৰ পৰা এই দিৱস উপলক্ষে সজাগতা সমদল উলিওৱা হয়। ইপিনে, বিশ্বনাথৰ পানী ভঁৰালত থকা আৰক্ষী চাউনীৰ চৌহদত এই দিৱসৰ লগত সংগতি ৰাখি ২ কোটিৰো অধিক টকাৰ নিচাযুক্ত সামগ্ৰী দাহ কৰা হয়। অনুষ্ঠানত বিশ্বনাথৰ আৰক্ষী অধীক্ষক শুভাশীষ দেৱৰ্ষি চৌধুৰী উপস্থিত থাকে। গোৱালপাৰা জিলাৰ বিভিন্ন ঠাইতো আজি মাদকদ্ৰব্য অপব্যৱহাৰ আৰু অবৈধ সৰবৰাহ বিৰোধী দিৱস উদযাপন কৰা হয়। এই দিৱসৰ লগত সংগতি ৰাখি জিলাখনৰ ১২ খন থানা এলেকাৰ বিদ্যালয় আৰু মহাবিদ্যালয়সমূহত সজাগতা সভা অনুষ্ঠিত হয়। একেদৰে জিলা সমাজ কল্যাণ বিভাগৰ উদ্যোগত আৰু জিলা প্ৰশাসনৰ উদ্যোগত গোৱালপাৰা মহাবিদ্যালয়ত এই দিৱস উদযাপন কৰা হয়। উল্লেখযোগ্য যে ৰাজ্যত শেহতীয়াকৈ চিৰিঞ্জেৰে মাদকদ্ৰব্য গ্ৰহণৰ ফলত এইচ আই ভি সংক্ৰমণ বৃদ্ধি পোৱা বুলি স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগে প্ৰকাশ কৰিছে। ৰাজ্যৰ ৯ খন জিলা চিকিৎসালয়কে ধৰি গুৱাহাটী কেন্দ্ৰীয় কাৰাগাৰত এইচ আই ভিৰ পৰীক্ষাৰ ব্যৱস্থা আছে।

0000000

অলিম্পিক পদক জয়ী লাভলীনা বৰগোঁহাই, বিশ্ব চেম্পিয়ন নিখাত জাৰিন আৰু প্ৰাক্তন বিশ্ব যুৱ চেম্পিয়ন অংকুশিতা বড়োসহ দেশৰ শীৰ্ষ বক্সাৰৰ অংশগ্ৰহণেৰে কাইলৈৰ পৰা তেলেংগানাত ৰাষ্ট্ৰীয় এলীট মহিলা বক্সিং প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ভাৰতীয় বক্সিং ফেডাৰেশ্যন আৰু তেলেংগানাৰ ক্ৰীড়া প্ৰাধিকৰণৰ তত্বাৱধানত তথা তেলেংগানা বক্সিং ফেডাৰেশ্যনৰ উদ্যোগত হ'বলগীয়া এই প্ৰতিযোগিতাখনত অসমৰ দুগৰাকী বক্সাৰ লাভলীনা আৰু অংকুশিতাই অসমৰ পৰিবৰ্তে টপ আঁচনিৰ তৰফৰ পৰাহে অংশগ্ৰহণ কৰিছে। প্ৰতিযোগিতাখনত ছাই আৰু টপসহ মুঠ ১৫টা দলে অংশগ্ৰহণৰ সুযোগ পাইছে।

000000

**সমাপ্ত**